আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, MARCH 12, 2024 | www.newsnextone.comৰ অনলাইন দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৭৪ | Guwahati, Assam ।। মূল্যঃ এটকা

**বিদেশী খেদাৰ কথা কৈ অৱশেষত বিদেশীকেই নাগৰিকত্ব বিজেপি চৰকাৰৰ**

# দেশজুৰি ‘কা’ বলৱৎ, বিৰোধীৰ সৰ্বাত্মক হৰতাল

**ই-সংবাদ, ১১ মাৰ্চঃ** দেশজুৰি সাব্যস্ত হোৱা ব্যাপক প্ৰতিবাদে নোম এডালো লৰাব নোৱাৰা মোদী চৰকাৰে অৱশেষত ২০২৪ৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে কাৰ্যকৰী কৰিলে নাগৰিকত্ব সংশোধনী আইন। সোমবাৰে এক অধিসূচনা জাৰি কৰি সমগ্ৰ দেশতে কা কাৰ্যকৰী কৰে কেন্দ্ৰীয় চৰকাৰে। ইয়াৰ সমান্তৰালভাৱে আজি অৱগত কৰা হৈছে এই আইনৰ সৈতে জড়িত নিয়মাৱলী। পাকিস্তান, বাংলাদেশ আৰু আফগানিস্তানৰ নথি-পত্ৰবিহীন অমুছলমান অনুপ্ৰৱেশকাৰীক এই আইনৰ জৰিয়তে প্ৰদান কৰা হ’ব নাগৰিকত্ব। ‘কা’ৰ নিয়ম প্ৰকাশ পোৱাৰ পিছত এতিয়া কেন্দ্ৰীয় চৰকাৰে ২০১৪ চনৰ ৩১ ডিচেম্বৰৰ ভিতৰত ভাৰতলৈ অহা নিৰ্যাতিত অমুছলমান অনুপ্ৰৱেশকাৰী (হিন্দু, শিখ, জৈন, বৌদ্ধ, পাৰ্চী আৰু খ্ৰীষ্টান)ক ভাৰতীয় নাগৰিকত্ব দিবলৈ আৰম্ভ কৰিব। উল্লেখ্য যে, অহা কেইদিনমানৰ ভিতৰত ঘোষণা কৰা হ’ব লোকসভা নিৰ্বাচনৰ কাৰ্যসূচী আৰু ইয়াৰ লগে লগে বলৱৎ হ’ব শেষাংশ ৬ পৃষ্ঠাত



‘কা’ৰ বিৰুদ্ধে প্ৰতিবাদ আৰম্ভ, সোমবাৰৰ সন্ধিয়াৰ দৃশ্য

## ৰাজ্যজুৰি আৰম্ভ হ’ল প্ৰতিবাদ, দমনৰ বাবে সাজু আৰক্ষী



**ই-সংবাদ, ১১ মাৰ্চঃ** কেন্দ্ৰীয় চৰকাৰে বিশেষ অধিসূচনা যোগে নাগৰিকত্ব সংশোধনী আইন দেশজুৰি বলৱৎ কৰিছে। ইয়াকে লৈ কেন্দ্ৰীয় গৃহ শেষাংশ ৩ পৃষ্ঠাত

**সমুজ্জ্বল ভট্টাচাৰ্যৰ ক্ষোভ**

## উচ্চতম ন্যায়ালয়লৈ যাব আছু

**ই-সংবাদ, ১১ মাৰ্চঃ** ‘কা’ বলৱৎ হোৱাৰ পাছতে নিশা আছুৰ কেন্দ্ৰীয় সমিতিয়ে লৈছে বিশেষ সিদ্ধান্ত। শেষাংশ ৫ পৃষ্ঠাত

## মাত্ৰ ৩১ হাজাৰ লোকেহে ‘কা’ৰ জৰিয়তে পাব নাগৰিকত্ব!

**ই-সংবাদ, ১১ মাৰ্চঃ** নাগৰিকত্ব সংশোধনী আইন কাৰ্যকৰী হোৱাৰ লগে লগে ভাৰতীয় নাগৰিকত্ব লাভ কৰিব ৩১ হাজাৰৰো অধিক হিন্দু শৰণাৰ্থীয়ে। ২০১৪ চনৰ ৩১ ডিচেম্বৰলৈকে পাকিস্তান আৰু বাংলাদেশ, আফগানিস্তানৰ পৰা অহা অমুছলমান শৰণাৰ্থীক ভাৰতীয় শেষাংশ ২ পৃষ্ঠাত

## তাৰিখ পে তাৰিখ নহ’ব, এছবিআইক ছুপ্ৰিম নিৰ্দেশ

**ই-সংবাদ, ১১ মাৰ্চঃ** নিৰ্বাচনী বণ্ডৰ সবিশেষ নিৰ্বাচন আয়োগক দাখিল কৰাৰ বাবে ৩০ জুনলৈকে সময় বিচাৰি ষ্টেট বেংক অৱ ইণ্ডিয়াই দাখিল কৰা আবেদন আজি খাৰিজ কৰি ১২ মাৰ্চৰ ভিতৰ বণ্ডৰ সৱিশেষ দিবলৈ নিৰ্দেশ দিয়ে উচ্চতম ন্যায়ালয়ে। মুখ্য ন্যায়াধীশ ডি আই চন্দ্ৰচূড়ৰ অধ্যক্ষতাত উচ্চতম ন্যায়ালয়ৰ পাঁচজনীয়া সংবিধান বিচাৰপীঠে এই গোচৰত



নিৰ্দেশ প্ৰদান কৰে ষ্টেট বেংক অৱ ইণ্ডিয়াক। লগতে বণ্ডৰ সৱিশেষ ১৫ মাৰ্চৰ ভিতৰত প্ৰকাশ কৰিবলৈ নিৰ্বাচন আয়োগকো নিৰ্দেশ দিয়ে ন্যায়ালয়ে। আদালতে এই সবিশেষ এছবিআই চিএমডিক প্ৰকাশ কৰি শপতনামা দাখিল কৰিবলৈ কয়। অৱশ্যে আদালতে এছ বি আইৰ বিৰুদ্ধে অৱমাননাৰ ব্যৱস্থা ল’বলৈ অস্বীকাৰ কৰে। কিন্তু লগতে এই কথাও সকীয়াই শেষাংশ ৫ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মাত্ৰ ৩১ হাজাৰ লোকেহে

হোৱাৰ স্বীকৃতি দিয়াৰ সকলো বাট প্ৰশস্ত কৰি তুলিছে মোদী চৰকাৰে। ৰাজপথৰ বৃহৎ আন্দোলনক উপেক্ষা কৰি আজি সমগ্ৰ দেশজুৰি কাৰ্যকৰী হ'ল নাগৰিকত্ব সংশোধনী আইন। লোকসভা নিৰ্বাচনৰ তাৰিখ ঘোষণাৰ মাত্ৰ কেইটামান দিন পূৰ্বে কেন্দ্ৰৰ মোদী চৰকাৰে এক অধিসূচনা জাৰি কৰি আজি 'কা' কাৰ্যকৰী কৰাৰ পিছতে দেশজুৰি পুনৰ উঠিছে প্ৰতিবাদৰ উজান। বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলৰ খিলঞ্জীয়া জাতি-জনজাতিৰ অস্তিত্বৰ প্ৰতি ভাবুকি নমাই অনা এই আইনখনৰ বিৰুদ্ধে পুনৰ এবাৰ ব্যাপক জনমত গঢ়ি তোলাৰ কুচকাৱাজ আৰম্ভ কৰিছে বিভিন্ন দল-সংগঠনে। সমান্তৰালভাৱে আন্দোলনকাৰীক প্ৰতিহত কৰিবলৈ আজি গুৱাহাটীত আৰক্ষী, সেনা আৰু অৰ্ধ সামৰিক বাহিনী সষ্টম হৈ থকাও পৰিলক্ষিত হয়। উল্লেখ্য যে, ২০১৯ চনৰ ডিচেম্বৰ মাহত সংসদৰ দুয়োটা সদনে গৃহীত কৰিছিল এই নাগৰিকত্ব সংশোধনী বিধেয়ক। ইয়াৰ পিছত ২০২০ চনৰ জানুৱাৰী মাহত ৰাষ্ট্ৰপতিৰ অনুমোদন লাভ কৰি আইনলৈ ৰূপান্তৰিত হৈছিল এই বিধেয়ক। সেই সময়তো অসমৰ লগতে দিল্লীৰ ৰাজপথত এই আইনৰ বিৰুদ্ধে সাব্যস্ত কৰা হৈছিল তীব্ৰ প্ৰতিবাদ। কিন্তু আইনখনৰ বাবে নিয়ম বনোৱাত পলম হোৱাৰ বাবে কাৰ্যকৰী কৰাত চাৰি বছৰৰো অধিক সময়ৰ প্ৰয়োজন হয় কেন্দ্ৰীয় চৰকাৰক। মন কৰিবলগীয়া যে, সাধাৰণতে যিকোনো আইন প্ৰণয়নৰ ৬ মাহৰ ভিতৰত নিয়ম প্ৰণয়ন কৰিব লাগে। যদি এয়া সম্ভৱ নহয়, তেন্তে ইয়াৰ বাবে সংসদৰ পৰা সময় বিচাৰিব লাগে। কা'ৰ ক্ষেত্ৰতো একেই ঘটনা ঘটা পৰিলক্ষিত হয়। এই আইখন কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত ৯ বাৰ সময় সীমা বৃদ্ধি বিচাৰে গৃহ মন্ত্ৰালয়ে। ২০১৯ৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে বিজেপিৰ নিৰ্বাচনী ইস্তাহাৰৰ মূল বিষয় আছিল এই আইনখন কাৰ্যকৰীকৰণ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, অমিত শ্বাহ আদি বিজেপিৰ নেতাসকলেও জনসভাত স্পষ্টভাৱে ঘোষণা কৰিছিল আইনখন কাৰ্যকৰী কৰাৰ কথা। প্ৰথমাৱস্থাত আইনখন লোকসভাত গৃহীত হ'লেও ৰাজ্যসভাত আৱদ্ধ হৈ পৰাত মোদীৰ দ্বিতীয় কাৰ্যকাল আৰম্ভ হোৱাৰ পিছতে ২০১৯ চনৰ ডিচেম্বৰ মাহত পুনৰ দুয়োখন সদনতে গৃহীত কৰিবলৈ সক্ষম হয় মোদী চৰকাৰে। ইয়াৰ পিছতে ৰাষ্ট্ৰপতিৰ অনুমোদন পোৱাৰ পিছত ২০২০ চনৰ ১০ জানুৱাৰীৰ পৰা আইনত পৰিণত হয়। এই আইনৰ অধীনত জৈন, খ্ৰীষ্টান আৰু পাৰ্চী ধৰ্মৰ শৰণাৰ্থীসকলক ভাৰতীয় নাগৰিকত্ব প্ৰদান কৰা হ'ব। এই আইন অনুসৰি ২০১৪ চনৰ ৩১ ডিচেম্বৰৰ পূৰ্বে ভাৰতলৈ আহি ভাৰতত বসতি স্থাপন কৰাসকলকহে নাগৰিকত্ব দিয়া হ'ব। কিন্তু এই আইনখনৰ পৰা অমুছলমান শৰণাৰ্থীসকলক বাদ দিয়াৰ পৰিপ্ৰেক্ষিততে এই আইনখন মুছলমান বিৰোধী বুলি অভিহিত কৰি আহিছে দেশৰ মুছলমানসকলে। তেওঁলোকে কয় যে যেতিয়া নাগৰিকত্ব দিব লাগে তেতিয়া ধৰ্মৰ ভিত্তিত কিয় কৰা হৈছে? ইয়াত মুছলমানক কিয় অন্তৰ্ভুক্ত কৰা হোৱা নাই? কিন্তু চৰকাৰৰ যুক্তি হ'ল পাকিস্তান, বাংলাদেশ আৰু আফগানিস্তান ইছলামিক দেশ আৰু তাত অমুছলমানক ধৰ্মৰ ভিত্তিত নিৰ্যাতন আৰু অত্যাচাৰ কৰা হয়। এই কাৰণেই অমুছলমান সকলে তাৰ পৰা পলায়ন কৰি ভাৰতলৈ আহিছে। সেইবাবেই ইয়াত কেৱল অমুছলমানকহে অন্তৰ্ভুক্ত কৰা হৈছে। এই আইন অনুসৰি ভাৰতীয় নাগৰিকত্বৰ বাবে নূন্যতম ১১ বছৰ দেশত থাকিব লাগিব। কিন্তু, নাগৰিকত্ব সংশোধনী আইনত এই তিনিখন দেশৰ অমুছলমানক মাত্ৰ ৬ বছৰ থকাৰ পিছতে নাগৰিকত্ব দিয়া হ'ব। আন দেশৰ বাকী শৰণাৰ্থীসকলে যি ধৰ্মৰেই নহওক কিয়, ১১ বছৰ ভাৰতত কটাব লাগিব। নাগৰিকত্ব সংশোধনী আইন বলবৎ হোৱাৰ লগে লগে ৩১,৩১৩ জন লোকে নাগৰিকত্বৰ বাবে আবেদন কৰিব পাৰিব। উল্লেখ্য যে, ২০১৯ চনৰ জানুৱাৰী মাহত এই আইনৰ ওপৰত যুটীয়া সংসদীয় সমিতিয়ে প্ৰতিবেদন দাখিল কৰিছিল। এই সমিতিৰ অধ্যক্ষ আছিল বিজেপিৰ ৰাজেন্দ্ৰ আগৰৱালা। আই বি আৰু ৰ'ৰ বিষয়াসকলকো এই কমিটীত অন্তৰ্ভুক্ত কৰা হৈছিল। প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে ২০১৪ চনৰ ৩১ ডিচেম্বৰলৈকে পাকিস্তান আৰু বাংলাদেশৰ পৰা অহা অমুছলমানৰ সংখ্যা আছিল ৩১,৩১৩ জন। আইনখন বলবৎ হোৱাৰ লগে লগে তেওঁলোকক নাগৰিকত্ব দিয়া হ'ব। কিন্তু শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈৰ লগতে এই আইনখনৰ বিৰোধিতা কৰি অহা আন আন নেতাসকলে দাবী কৰে যে নাগৰিকত্ব সংশোধনী আইনৰ জৰিয়তে ১৫-২০ লাখ বিদেশী নাগৰিকক ভাৰতৰ নাগৰিকত্ব প্ৰদানৰ কু-অভিপ্ৰায় ৰচনা কৰিছে বিজেপিয়ে। এনে হ'লে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ খিলঞ্জীয়া জাতি-জনজাতিসকলৰ অস্তিত্বলৈ ভাবুকি নামি আহিব বুলিও দাবী কৰি আহিছে দল-সংগঠনৰ লগতে আইনখনৰ বিৰোধিতা কৰাসকলে। ইফালে, নাগৰিকত্ব লাভৰ এই সমগ্ৰ প্ৰক্ৰিয়াটো অনলাইন কৰি তুলিছে কেন্দ্ৰীয় চৰকাৰে। ইয়াৰ বাবে এটা অনলাইন পৰ্টেলও প্ৰস্তুত কৰা হৈছে। আবেদনকাৰীয়ে নিজৰ মোবাইলৰ পৰাও আবেদন কৰিব পাৰিব। আৱেদনকাৰীয়ে সীমান্তৰে কেতিয়া ভাৰতত প্ৰৱেশ কৰিছিল সেই বছৰটো উল্লেখ কৰিব লাগিব। জানিব পৰা মতে, নাগৰিকত্বৰ বাবে আবেদন কৰাসকলে কোনো ধৰণৰ নথি-পত্ৰ দেখুৱাবলগীয়া নহয়। নাগৰিকত্বৰ সৈতে জড়িত এনে সকলো গোচৰ অনলাইন ৰূপান্তৰিত কৰা হ'ব। আবেদনকাৰীয়ে পৰ্টেলত অনলাইন আবেদন কৰিব লাগিব। ইয়াৰ পিছত গৃহ মন্ত্ৰালয়ে পৰীক্ষা কৰি নাগৰিকত্ব প্ৰদান কৰিব।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজ্যজুৰি আৰম্ভ হ'ল প্ৰতিবাদ

মন্ত্ৰালয়ে অধিসূচনা জাৰি কৰিছে। তাৰ পাছতে সমগ্ৰ অসমত উত্তেজনাই বিৰাজ কৰিছে। বিভিন্ন ঠাইত আন্দোলন আৰম্ভ কৰিছে বিভিন্ন দল-সংগঠনে। জিলাই জিলাই প্ৰতিবাদ কৰা দেখা গৈছে। তাৰ লগে লগে 'কা'ৰ বিধি বলৱৎ হ'ব বুলি সংবাদমাধ্যমত খবৰ প্ৰকাশ পোৱাৰ পাছতে অসম আৰক্ষী সষ্টম হৈ পৰে। ৰাজ্যৰ ৰাজধানী গুৱাহাটী মহানগৰীত আজি দুপৰীয়াৰ পৰাই সষ্টম হয় আৰক্ষী। ঠায়ে ঠায়ে আৰক্ষীৰ দলে তহল দিয়ে। বিভিন্ন ঠাইত বেৰিকেডসমূহ সাজু কৰা হয়। যুদ্ধংদেহী পৰিবেশত দেখা যায় অসম আৰক্ষীক। অসম আৰক্ষীয়ে গুৱাহাটীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত নিৰাপত্তাৰক্ষী মোতায়েন কৰিছে। আন্দোৱলন দমন কৰিবলৈ সাজু হয় অসম আৰক্ষীয়ে। আৰক্ষীয়ে বৰুণ বাহন, কন্দুৱা গেছ, লাঠি, বেৰিকেড আদি সাজু কৰি ৰাখে। বিশেষভাবে সশস্ত্ৰ বাহিনীৰ বেহু গঢ়া হৈছে সমগ্ৰ গুৱাহাটীত। গুৱাহাটীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত সশস্ত্ৰ বাহিনীৰ লোকে তহল আৰম্ভ কৰিছে। প্ৰতিটো পথ, উপ-পথত তহল দিছে আৰক্ষীয়ে। সহায় লোৱা হৈছে অৰ্ধসামৰিক বাহিনীৰ। উদ্দেশ্যে হৈছে উদ্ভৱ হ'ব পৰা পৰিস্থিতি নিয়ন্ত্ৰণ কৰা। হাজাৰ হাজাৰ লোক ৰাজপথলৈ ওলাই আহিলে যিকোনো প্ৰকাৰে আন্দোলন দমন কৰিবলৈ প্ৰয়াস কৰিব আৰক্ষীয়ে। কোনো কাৰণত যাতে আন্দোলনকাৰী একত্ৰিত হ'ব নোৱাৰে তাৰো ব্যৱস্থা কৰিছে আৰক্ষীয়ে। কেন্দ্ৰীয় চৰকাৰে 'কা' বলৱৎ কৰিলেও যাতে দল-সংগঠনে গুৱাহাটীত প্ৰতিবাদ সাব্যস্ত কৰিব নোৱাৰে তাৰ বাবে দিনৰে পৰা আখৰা আৰম্ভ কৰিছে গুৱাহাটী আৰক্ষীয়ে। উলুবাৰী, পাণবজাৰ, ছয়মাইল, দিছপুৰ চুপাৰ মাৰ্কেট, লাষ্টগেট, সচিবালয়, গণেশগুৰি, উলুবাৰী, জি.এছ ৰোড, হাতীগাঁৱকে ধৰি সকলো প্ৰান্তত আৰক্ষীয়ে তহল আৰম্ভ কৰিছে। ঠায়ে ঠায়ে বেৰিকেড লগাই আৰক্ষীয়ে পথত তহল দি থকা দেখা গৈছে।

**গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰতিবাদঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰেই গুৱাহাটী মহানগৰীৰ মাজ-মজিয়াত গুৱাহাটী বিশ্ববিদ্যালয়ত ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিবাদ সাব্যস্ত কৰে। আজি কেন্দ্ৰীয় গৃহমন্ত্ৰালয়ে কা'ৰ নিয়মাৱলী বলৱৎ কৰাৰ পাছতে প্ৰতিলিপি দাহ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ সমাজে। 'কা' বলৱৎ হোৱাৰ লগে লগে সদৌ অসম ছাত্ৰ সন্থা আৰু ৩০ জনগোষ্ঠীয় সংগঠনৰ আহ্বান মৰ্মে গুৱাহাটী বিশ্ববিদ্যালয় আছু গোট আৰু বিশ্ববিদ্যালয় আইন মহাবিদ্যালয় আছু গোটে নাগৰিকত্ব সংশোধনী আইন-২০১৯ৰ প্ৰতিলিপি দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। গুৱাহাটী বিশ্ববিদ্যালয় ছাত্ৰ সমাজে স্পষ্ট কৰি কয় যে 'কা' মানি লোৱা নহ'ব।

**মাজুলীত কা'ৰ প্ৰতিলিপি দাহঃ** ই-সংবাদ, মাজুলী, ১১ মাৰ্চঃ দেশজুৰি কা' বলৱৎৰ পিছতেই এসময়ৰ জাতীয়তাবাদৰ দুৰ্গ স্বৰূপ মাজুলীত তীব্ৰ প্ৰতিবাদৰ উকমুকনিৰ উমান পাই মাজুলীৰ জিলা সদৰ গড়মূৰত মাজুলী আৰক্ষীয়ে শ শ আৰক্ষী চিআৰপিএফ মোতায়ন কৰে। একপ্ৰকাৰে আন্দোলন ৰোধৰ বাবে জিলা খনৰ প্ৰায়বোৰ আৰক্ষীক গড়মূৰত মোতায়ন কৰি ৰখাৰ মাজতে সদৌ মাজুলী জিলা ছাত্ৰ সন্থাই আজি সন্ধিয়া মাজুলীৰ কমলাবাৰীত জাতি ধ্বংসী আইন খনৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। কমলাবাৰী চাৰিআলিত জিলা ছাত্ৰ সন্থাই কা'ৰ প্ৰতিলিপি দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। হাতে হাতে ন' কা', কা' আমি নামানো আদি প্লে কাৰ্ড প্ৰদৰ্শন কৰি কেন্দ্ৰীয় চৰকাৰ হায় হায়, নৰেন্দ্ৰ মোদী হায় হায়, ৰাজ্য চৰকাৰ হুচিয়াৰ আদি শ্লগান দি জিলা ছাত্ৰ সন্থাই জাতি ধ্বংসী আইন খনৰ বিৰোধিতা কৰি ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে গৰজি উঠে। প্ৰতিবাদ স্থলীত আছুৰ কেন্দ্ৰীয় সাংস্কৃতিক সম্পাদক বিতোপন শৰ্মা উপস্থিত থাকি কয় যে-অসম তথা অসমীয়াই কা' নামানে। যিকোনো মূল্যৰ বিনিময়ত এই আইন বাতিল কৰিবই লাগিব। কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰে বলপূৰ্বক ভাৱে এই আইন জাপি দিয়াটো কোনো পধ্যেই মানি লোৱা নহয় বুলি উল্লেখ কৰি কেন্দ্ৰীয় চৰকাৰে যেতিয়ালৈকে এই আইন বাতিল নকৰে তেতিয়ালৈকে ছাত্ৰ সন্থাই এই কাৰ্যসূচী ধাৰাবাহিক ভাৱে আগুৱাই লৈ যাব বুলি তেওঁ উল্লেখ কৰে।

**মৰিগাঁৱতো প্ৰতিবাদঃ** ই-সংবাদ, মৰিগাঁওঃ সমগ্ৰ ৰাজ্যৰ লগতে আজি মৰিগাঁৱতো কংগ্ৰেছ, অসম জাতীয় পৰিষদ, চি পি আই, ৰাইজৰ দল আদি ৰাজনৈতিক দলৰ উমৈহতীয়া বিৰোধী ঐক্য মঞ্চই মৰিগাঁও সদৰ বিহুতলিত "কা" বলবৎ কৰনৰ বিৰোধিতাৰে অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ন কৰি প্ৰতিবাদী কাৰ্যসূচীৰে উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। আজি দিনৰ ভাগত অনুষ্ঠিত হোৱা ধৰ্মঘট কাৰ্যসূচীত মৰিগাঁও জিলা কংগ্ৰেছৰ সভাপতি শ্ৰৱণ কুমাৰ ডেকাৰজা আৰু অসম জাতীয় পৰিষদ মৰিগাঁও জিলা সমিতিৰ সভাপতি জয়ন্ত কুমাৰ ডেকাই কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ এই সিদ্ধান্তক অসম বিৰোধী সিদ্ধান্ত হিচাপে অভিহিত কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক 'কা' বলবৎকৰণৰ পৰা বিৰত থাকিবলৈ আহ্বান জনায়। কাৰ্যসূচীত মৰিগাঁও জিলা কংগ্ৰেছৰ সম্পাদক তথা মুখপাত্ৰ শশীমোহন বিশ্বাস, সাধাৰণ সম্পাদক মইদুল ইছলাম খান, সীমান্ত হাজৰিকা, লাহৰীঘাট সমষ্টিৰ বিধায়ক ডাঃ আচিফ মহম্মদ নাজাৰ, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সম্পাদক তথা মৰিগাঁৱৰ তত্বাৱধায়ক খলিলুৰ ৰহমান, তিৱা স্বায়ত্ব পৰিষদৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্যদ্বয় ক্ৰমে ৰমেশ বৰদলৈ আৰু ধৰ্মেন্দ্ৰ বৰদলৈ, ৰাইজৰ দলৰ সভাপতি লাচিত ডেকা, চি পি আই নেতা নৰজ্যোতি তামুলীকে ধৰি জিলা কংগ্ৰেছ, অজাপ, চি পি আইৰ বহুকেইগৰাকী বিষয়ববীয়া আৰু সদস্যই অংশ গ্ৰহণ কৰে।

**গোলাঘাটতো প্ৰতিবাদঃ** ই-সংবাদ, গোলাঘাটঃ গোলাঘাট জিলা কংগ্ৰেছ কমিটিৰ উদ্যোগত বিৰোধী ঐক্য মঞ্চৰ সৌজন্যত বিজেপি চৰকাৰে নাগৰিকত সংশোধনী আইন (কা) বলৱৎ কৰাৰ বিৰুদ্ধে গোলাঘাট জিলা কংগ্ৰেছৰ কাৰ্য্যালয়ৰ সন্মুখত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। মুখ্যমন্ত্ৰী ড°হিমন্ত বিশ্ব শৰ্মাৰ গোলাঘাট ভ্ৰমণৰ সময়তে হোৱা এই অৱস্থান ধৰ্মঘটে বিশেষ তাৎপৰ্য বহন কৰিছে। প্ৰতিবাদকাৰীসকলে নৰেন্দ্ৰ মোডী হাই হাই, কা আমি নামানো, হিমন্ত বিশ্ব হুচিয়াৰ, মোডী চৰকাৰ হুচিয়াৰ আদি শ্লগানেৰে গোলাঘাট নগৰৰ আকাশ বতাহ কঁপাই তোলে।

এনেদৰেই এই আইনখন প্ৰযোজ্য কৰাৰ খবৰ বিয়পি পৰাৰ লগে লগে উজনিৰ পৰা নামনিলৈ সৰ্বত্ৰে আৰম্ভ হৈছে প্ৰতিবাদ।

## সৰ্বানন্দ-হিমন্তবিশ্বই দিল্লীৰ পদলেহন কৰি জীয়াই আছে বুলি দাবী

# ‘কা’ বলৱৎ হোৱাৰ পাছতে সক্ৰিয় অখিল-লুৰীণ

**ই-সংবাদ, ১১ মাৰ্চঃ** নাগৰিকত্ব সংশোধনী আইন বলৱৎ হোৱাৰ পাছতে তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি কেইবাটাও ফেচবুকত পোষ্ট দিছে ৰাইজৰ দলৰ মুৰব্বী অখিল গগৈ আৰু অসম জাতীয় পৰিষদৰ মুৰব্বী লুৰীণজ্যোতি গগৈয়ে। শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে অসমীয়া জাতিক একত্ৰিত হৈ আন্দোলন কৰিবলৈ সাজু হোৱাৰ আহ্বান জনাইছে। কেন্দ্ৰীয় ‘কা’ৰ বিধি বলৱৎ কৰাত তীব্ৰ সমালোচনা কৰি শান্তিপূৰ্ণ গণ আন্দোলনৰ বাবে সাজু হোৱাৰ আহ্বান জনাই অখিল গগৈয়ে। এয়া জাতিৰ প্ৰতি আক্ৰমণ বুলি অভিহিত কৰি ফেচবুকত পোষ্ট দি ‘আমি গোলাঘাটত ৰাজপথত’ বুলি উল্লেখ কৰিছে। আন আন পোষ্টত অখিল গগৈয়ে কয় ‘জয় আই অসম’, ‘আহ ঐ আহ, ওলাই আহ’ আৰু কা আমি নামানো। কাৰ বিধি ঘোষণাৰ বিৰুদ্ধে সৰ্বাত্মক প্ৰতিবাদৰ বাবে আপুনি সাজুনে’ বুলিও প্ৰশ্ন কৰে অখিল গগৈয়ে। অসমীয়া জাতিৰ ওপৰত কেন্দ্ৰীয় চৰকাৰৰ আক্ৰমণ বুলি কৈ ৰাজ্যখনৰ জনসাধাৰণে শান্তিপূৰ্ণ আন্দোলনৰ বাহিৰে বিকল্প নাই বুলি কৈ অখিলে জাতি-ধৰ্ম নিৰ্বিশেষে ৰাজ্যখনৰ জনসাধাৰণক বৃহৎ আন্দোলনৰ বাবে সাজু হ’বলৈ আহ্বান জনায়। আনহাতে, লুৰীণজ্যোতি গগৈয়ে অসমবাসীক আন্দোলন কৰাৰ হুংকাৰ দিছে। কেইবাটাও ফেচবুকত পোষ্ট দি ৰাইজক আন্দোলন কৰাৰ আহ্বান কৰিছে লুৰীণজ্যোতি গগৈয়ে। লুৰীণজ্যোতি গগৈয়ে কয় ‘আজিৰ দিনটো অসমৰ বাবে, অসমীয়া জাতিৰ বাবে এটা ক’লা দিন। ‘কা’ আন্দোলনৰ পঞ্চ শ্বহীদক প্ৰণিপাত জনাই মহাসংগ্ৰামৰ বাবে সাজু হ’লো। শ্ৰদ্ধাৰ অসমবাসী, ‘কা’ বলৱৎকৰণৰ দৰে বিজেপি চৰকাৰে গ্ৰহণ কৰা জাতিধ্বংসী সিদ্ধান্তৰ বিৰুদ্ধে সৰ্বাত্মক প্ৰতিৰোধ গঢ়ি তুলিবলৈ আপোনালোক সাজু হওক।’ লুৰীণে আৰু কয় নিজৰ গাদী সুৰক্ষাৰ স্বাৰ্থত দিল্লীশ্বৰৰ পদলেহন কৰি জীয়াই থাকি ভাল পোৱা সৰ্বানন্দ সোণোৱাল-হিমন্ত বিশ্ব শৰ্মা আৰু তেওঁলোক দুজনৰ অনুচৰ বাহিনীয়ে নিজৰ মাতৃভূমিকো হত্যাৰ ষড়যন্ত্ৰত লিপ্ত হ’বলৈ কুণ্ঠাবোধ নকৰিলে। অসমৰ সকলো জাতি-জনগোষ্ঠীৰ ৰাইজ, দল-সংগঠন, নাগৰিক সংস্থা সকলোকে বিজেপি চৰকাৰৰ এই জাতিদ্ৰোহী কাৰ্য আৰু ক’লা আইনখনৰ বিৰোধিতাৰে প্ৰতিবাদ সাব্যস্ত কৰিবলৈ আহ্বান জনালো। ‘কা’ ৰূপায়ণ সন্দৰ্ভত অসম জাতীয় পৰিষদৰ হৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰি লুৰীণজ্যোতি গগৈয়ে কয় ‘অৱশেষত অসমীয়া জাতিৰ আৱেগ-অনুভূতি আৰু শ্বহীদৰ চৰম ত্যাগক ভৰিৰে মোহাৰি বিজেপি চৰকাৰে নাগৰিকত্ব সংশোধনী আইন ৰূপায়ন কৰিলে। এই আইনে অসমীয়া জাতিৰ ভাষা-সংস্কৃতি, মাটি-ভেটিৰ ওপৰত অবৈধ বিদেশীৰ অধিকাৰ নিশ্চিত কৰি অসমীয়া মানুহৰ অস্তিত্ব বিপন্ন কৰিব বুলি জানিও বিজেপিৰ চৰকাৰে আইনখন ৰূপায়ন কৰিলে। জাতি-মাটি-ভেটি ৰক্ষাৰ অংগীকাৰেৰে অসমীয়া মানুহৰ ভোট লোৱা সৰ্বানন্দ সোণোৱাল, হিমন্ত বিশ্ব শৰ্মাই ক’লা আইনখন ৰূপায়ণ কৰাৰ পৰা কেন্দ্ৰীয় চৰকাৰক বিৰত ৰাখিব নোৱাৰিলে। এই অক্ষমনীয় অপৰাধৰ বাবে সৰ্বানন্দ সোণোৱাল আৰু হিমন্ত বিশ্ব শৰ্মা জাতীয় খলনায়ক হিচাপে আজীৱন চিহ্নিত হৈ ৰব। এই দুই খলনায়কৰ এনে আত্মসমৰ্পণ, জাতিদ্ৰোহী কাণ্ড ইতিহাসৰ পাতত ক’লা আখৰেৰে চিৰদিন খোদিত হৈ থাকিব বুলিও কয় অসম জাতীয় পৰিষদে।




‘কা’ৰ বিৰুদ্ধে গুৱাহাটীত আপৰ প্ৰতিবাদ

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উচ্চতম ন্যায়ালয়লৈ যাব আছু

কাইলৈ আছুৰ কেন্দ্ৰীয় নেতৃত্বই দিল্লীলৈ উৰা মাৰিব। দিল্লীত আছুৰ অধিবক্তাক সাক্ষাৎ কৰি উচ্চতম ন্যায়ালয়ত বিশেষ আৰ্জি দিব আছুৱে। আছুৰ মুখ্য উপদেষ্টা ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, সভাপতি উৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক শংকৰজোতি বৰুৱা দিল্লীলৈ গৈ উচ্চতম ন্যায়ালয়ত 'কা' বলৱৎ কৰিবলৈ প্ৰকাশ কৰা অধিসূচনাৰ স্থগিতাদেশ বিচাৰি আৰ্জি দিব। উচ্চতম ন্যায়ালয়ত 'কা'ক লৈ শুনানি শীঘ্ৰে আৰম্ভ কৰিবলৈ আবেদন জনোৱাৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ অধিসূচনাক প্ৰত্যাহ্বান জনাই আবেদন দিব আছুৱে। ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই কয় যে অহিংস আৰু গণতান্ত্ৰিক আন্দোলনৰ লগতে আইনী যুঁজ অব্যাহত থাকিব। ইফালে, কেন্দ্ৰীয় চৰকাৰে বিশেষ অধিসূচনাযোগে বিধি প্ৰকাশ কৰি 'কা' বলৱৎ কৰাত জাঙুৰ খাই উঠিছে ৰাজ্যৰ দল-সংগঠন। কেইবাটাও জাতীয় সংগঠনে উজনি-নামনি অসমত প্ৰতিবাদ সাব্যস্ত কৰিছে। তাৰ মাজতে গুৱাহাটীত সাংবাদিক মেল সম্বোধন কৰি আছুৰ মুখ্য উপদেষ্টা ডঃ সমুজ্জ্বল কুমাৰ ভট্টচাৰ্যই 'কা' বলৱৎ হোৱাৰ পাছতে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰক তীব্ৰ সমালোচনা কৰি 'কা' মনা নাই, 'কা' আমি নামানো আন্দোলন অহিংস আন্দোলন কৰাৰ ঘোষণা কৰে। সমগ্ৰ ৰাজ্যত নিৰাপত্তাৰক্ষী গিজগিজাই থকাত প্ৰতিক্ৰিয়া ব্যক্ত কৰি ডঃ সমুজ্জ্বল কুমাৰ  ভট্টাচাৰ্যই কয় যে প্ৰথম কথা অহিংসা, শান্তিপূৰ্ণ গণতান্ত্ৰিক আন্দোলন কৰাৰ অধিকাৰ উত্তৰ-পূৰ্বাঞ্চলৰ মানুহৰ আছে। স্পষ্ট কথা। আমি দেখিছো গোটেই ৰাস্তাত বেৰিকেড দিয়া হৈছে। বাঁহ বান্ধি দিয়া হৈছে। কিন্তু আমি অসম চৰকাৰক কঠোৰভাবে সকীয়াই দি কৈছো অহিংস, শান্তিপূৰ্ণ আৰু গণতান্ত্ৰিক আন্দোলনক নিৰ্যাতন চলাবলৈ প্ৰয়াস নকৰিব। আন্দোলন কৰিমেই। আমাৰ প্ৰতি অন্যায় কৰিছে। ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই আইনী যুঁজি যোৱাৰ কথাও উল্লেখ কৰি কয় উচ্চতম ন্যায়ালয়ত ২৩৪-৩৫ খন আবেদন দাখিল হৈছে। ৫৩ খন উত্তৰ-পূৰ্বাঞ্চলৰ আবেদন। আছু আৰু নে'ছৰ অধিবক্তাৰ বলিষ্ঠ যুক্তিৰ বাবে উচ্চতম ন্যায়ালয়ে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে শুনানিত সুকীয়া সময় দিছে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ হৈ আছুৱে উচ্চতম ন্যায়ালয়ত প্ৰথম আবেদন কৰিছিল। সদৌ অসম ছাত্ৰ সন্থাৰ আবেদনখন মুখ্য আবেদন হিচাপে লোৱা হৈছে। বলৱৎ কৰিবলৈ অধিসূচনা জাৰি হ'ব বুলি জানিব পৰা হোৱাৰ পাছতে আমি উচ্চতম ন্যায়ালয়ৰ অধিবক্তাৰ সৈতে যোগাযোগ কৰিছো। আইনগত যুঁজ চলিব। অহিংস, শান্তিপূৰ্ণ আৰু গণতান্ত্ৰিক আন্দোলন চলি থাকিব। 'কা' মনা নাই, 'কা' আমি নামানো। ইপিনে আমি কেন্দ্ৰীয় চৰকাৰক যিবোৰ প্ৰশ্ন কৰিছো তাৰ উত্তৰ দিব পৰা নাই বুলি কৈ সমুজ্জ্বলে কয় যে আমাৰ প্ৰচেষ্টাতে কেন্দ্ৰীয় চৰকাৰে কেব আনি বিফল হৈছে। দ্বিতীয়বাৰ 'কা' আনিলে। তাৰ পাছতে ক'লে যে ইনাৰ লাইন পাৰ্মিট থকা ৰাজ্যই ৰেহাই পাব। নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচলৰ ইনাৰ লাইন পাৰ্মিট আছে। কিন্তু লগে লগে মণিপুৰক ইনাৰ লাইন পাৰ্মিট দি দিলে। তেওঁলোকে কৈ দিলে যে নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল আৰু মণিপুৰত কা' বলৱৎ নহয়। তাৰ পাছত ক'লে ষষ্ঠ অনুসূচীত এলেকাক ৰেহাই। ষষ্ঠ অনুসূচী মেঘালয়ত ৯৮ শতাংশ। ত্ৰিপুৰাত প্ৰায় ৭০ শতাংশ। অসমত আছে বিটিআৰ আৰু পাৰ্বত্য জিলা তিনিখন। 'কা' নাগালেণ্ড, মিজোৰাম, অৰুণাচল আৰু মণিপুৰৰ লগতে মেঘালয়ৰ ৯৮ শতাংশ, ত্ৰিপুৰাত ৭০ শতাংশ, অসমত বিটিআৰ আৰু পাৰ্বত্য জিলা তিনিখত বলৱৎ নহয়। কিন্তু সেই একেই 'কা' খন অসমৰ বা উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ভাল কেনেকৈ হ'ব পাৰে বুলি প্ৰশ্ন কৰি ধাৰাবাহিক অহিংস আন্দোলন আৰু আইনী যুঁজ চলাই যোৱাৰ ঘোষণা কৰে আছুৰ মুখ্য উপদেষ্টাগৰাকীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# তাৰিখ পে তাৰিখ নহ'ব

দিয়ে যে যদি এই আদেশত উল্লেখ কৰা সময়সীমাৰ ভিতৰত এছ বি আইয়ে নিৰ্দেশনা মানি নচলে, তেন্তে এই আদালতে ইচ্ছাকৃতভাৱে অবাধ্যতাৰ বাবে ইয়াৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ বাধ্য হ'ব। আজি শুনানিৰ সময়ত উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ে এছবিআইয়ে অধিক সময় বিচৰা প্ৰসংগত কয় যে আমি আপোনাক ডাটা মিলাবলৈ কোৱা নাছিলো, আপুনি নিৰ্দেশ মানি চলিব লাগিব। এছবিআইয়ে অতিৰিক্ত সময় বিচৰাটো অপ্ৰাসংগিক বুলি উল্লেখ কৰি ন্যায়াধীশ সঞ্জীৱ খান্নাই প্ৰশ্ন কৰে যে যোৱা ২৬ দিনত আপুনি কি কাম কৰিলে, কিমান ডাটা মিলালে। আবেদনত যোৱা ২৬ দিনত আপুনি কি কি কৰিলে তাৰ কোনো উল্লেখ কৰা নাই। তথ্য মিলোৱাৰ বাবে সময় বিচৰাটো ঠিক নহয়। উল্লেখ্য যে, আজি নিৰ্বাচনী বণ্ডৰ তথ্য প্ৰদানৰ বাবে ভাৰতীয় ষ্টেট বেংকে ৩০ জুনলৈ সময়সীমা বৃদ্ধি বিচৰা আবেদন সন্দৰ্ভত উচ্চতম ন্যায়ালয়ত শুনানি অনুষ্ঠিত হয়। একে সময়তে এছ বি আইৰ বিৰুদ্ধে অৱমাননাৰ গোচৰ ৰুজু কৰিবলৈ এডিআৰৰ আবেদনৰো শুনানি গ্ৰহণ কৰে আদালতে। মুখ্য ন্যায়াধীশ চন্দ্ৰচূড়ৰ অধ্যক্ষতাত ন্যায়াধীশ সঞ্জীৱ খান্না, ন্যায়াধীশ বি আৰ গভাই, ন্যায়াধীশ জে বি পাৰ্দিৱালা আৰু ন্যায়াধীশ মনোজ মিশ্ৰৰ সংবিধান বিচাৰপীঠে এই শুনানি গ্ৰহণ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দেশজুৰি ‘কা’ বলৱৎ

আদৰ্শ আচৰণ বিধি। এনে পৰিস্থিতিত আদৰ্শ আচৰণ বিধি কাৰ্যকৰী হোৱাৰ পূৰ্বেই 'কা'ৰ নিয়ম জাৰি কৰে কেন্দ্ৰীয় চৰকাৰে। প্ৰণিধানযোগ্য যে, ২০১৯ চনৰ ডিচেম্বৰ মাহত দুয়োখন সদনতে 'কা' গৃহীত কৰিছিল মোদী চৰকাৰে, আৰু পিছত ৰাষ্ট্ৰপতিৰ সন্মতি লাভ কৰিছিল। কিন্তু নাগৰিকত্ব সংশোধনী আইনক লৈ দেশজুৰি ব্যাপক প্ৰতিবাদৰ সূচনা হোৱাত বিগত চাৰি বছৰে কাৰ্যকৰী কৰা হোৱা নাছিল এই আইন। 'কা'ৰ বিৰুদ্ধে আৰম্ভ হোৱা বিক্ষোভৰ সময়ত শতাধিক লোকেও প্ৰাণ হেৰুৱাবলগীয়া হৈছিল। অসমতো সাব্যস্ত হোৱা ব্যাপক কা বিৰোধী আন্দোলনত গুৱাহাটীৰ ৰাজপথত আৰক্ষীৰ গুলীত শ্বহীদ হৈছিল ৫ জনকৈ নিৰীহ যুৱক। ইফালে কা কাৰ্যকৰীকৰণৰ পিছত আৱেদনকাৰীৰ সুবিধাৰ বাবে গৃহ মন্ত্ৰালয়ে পৰ্টেল প্ৰস্তুত কৰি সমগ্ৰ প্ৰক্ৰিয়াটো অনলাইনযোগে কৰাৰ ব্যৱস্থা কৰিছে। এজন বিষয়াই কয় যে আবেদনকাৰীয়ে ভ্ৰমণৰ নথি-পত্ৰ অবিহনে ভাৰতলৈ অহা বছৰটো উল্লেখ কৰিব লাগিব। আবেদনকাৰীৰ পৰা কোনো ধৰণৰ নথি-পত্ৰ বিচৰা নহ'ব। এই আইন অনুসৰি চুবুৰীয়া তিনিখন দেশৰ নথি-পত্ৰবিহীন সংখ্যালঘুসকলে 'কা'ৰ অধীনত সুবিধা লাভ কৰিব। উল্লেখ্য যে, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ২৭ ডিচেম্বৰত কৈছিল যে কা ৰূপায়ণত কোনেও বাধা দিব নোৱাৰে, এয়া দেশৰ আইন। অমিত শ্বাহৰ সুৰত সুৰ মিলাইছে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও। 'কা'ৰ বিৰুদ্ধে আন্দোলন কৰিলে ৰাজনৈতিক দলৰ স্বীকৃতি বাতিল কৰাৰো ভাবুকি প্ৰদান কৰিছে মুখ্যমন্ত্ৰী শৰ্মাই। আনফালে এই আইনৰ বিৰুদ্ধে আন্দোলন কৰাসকলৰ বিৰুদ্ধে আৰক্ষী কঠোৰ হ'ব বুলিও সকীয়নি দিছে আৰক্ষী সঞ্চালকপ্ৰধান জি পি সিঙে। কিন্তু তৎসত্বেও ৰাজ্যৰ বিভিন্ন দল-সংগঠনে এই আইনৰ বিৰুদ্ধে পুনৰ ৰাজপথ কঁপোৱাৰ হুংকাৰ দিছে।

**বিৰোধীৰ তীব্ৰ বিৰোধিতাঃ** ২০২৪ৰ লোকসভা নিৰ্বাচনৰ ঠিক পূৰ্বে মোদী চৰকাৰে নাগৰকিত্ব সংশোধনী আইনক লৈ অধিসূচনা জাৰি কৰাৰ পিছতে দেশজুৰি পুনৰ এবাৰ উঠিছে ক্ষোভৰ জোৱাৰ। সোমবাৰে কেন্দ্ৰীয় গৃহমন্ত্ৰণালয়ে 'কা' কাৰ্যকৰীকৰণক লৈ অধিসূচনা জাৰি কৰাৰ লগে লগে প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে বিৰোধী নেতাসকলেও। লোকসভা নিৰ্বাচনৰ পূৰ্বে মোদী চৰকাৰে ইচ্ছাকৃতভাৱে 'কা' কাৰ্যকৰী কৰা বুলি দাবী কৰিছে বিৰোধী নেতাই।
এআইএমআইএমৰ নেতা আছাদুদ্দিন ওৱাইচিয়ে কয় যে মুছলমানৰ বিৰুদ্ধে ষড়যন্ত্ৰমূলকভাৱে এই আইন অনা হৈছে। ওৱাইছিয়ে কয়, 'প্ৰথমে নিৰ্বাচনৰ বতৰ আহিব, তাৰ পিছত আৰএছএছৰ সময় আহিব। 'কা' সম্পৰ্কে আমাৰ মতামত আগৰ দৰেই। 'কা' হৈছে অলংকাৰ আৰু ই গডছেৰ চিন্তাধাৰাৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে, যিয়ে মুছলমানক দ্বিতীয় শ্ৰেণীৰ নাগৰিক হিচাপে গঢ়ি তোলাটো বিচৰা নাছিল।' ওৱাইছিয়ে লগতে কয় যে যি নিৰ্যাতনৰ বলি হৈছে তাক আশ্ৰয় প্ৰদান কৰা উচিত, কিন্তু নাগৰিকত্ব ধৰ্ম বা জাতিৰ ওপৰত ভিত্তি কৰি প্ৰদান কৰা উচিত নহয়। ইফালে, কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক জয়ৰাম ৰমেশেও 'কা' কাৰ্যকৰী কৰাৰ পিছত বিজেপি চৰকাৰক কঠোৰ ভাষাৰে সমালোচনা কৰে। তেওঁ কয় যে ২০১৯ চনৰ ডিচেম্বৰ মাহত সংসদে গৃহীত কৰা নাগৰিকত্ব সংশোধনী আইনৰ বিধান বাতিল কৰিবলৈ মোদী চৰকাৰৰ চাৰি বছৰ তিনিমাহ সময় লাগিছিল। প্ৰধানমন্ত্ৰীয়ে দাবী কৰে যে তেওঁৰ চৰকাৰ পেছাগত আৰু সময়মতে কাম কৰে। কিন্তু 'কা' কাৰ্যকৰী কৰাৰ বাবে মোদী চৰকাৰে ইমান সময় খৰচ কৰাটোৱে প্ৰধানমন্ত্ৰীৰ মিথ্যাচাৰ প্ৰমাণিত কৰিছে। কংগ্ৰেছ নেতাগৰাকীয়ে লগতে কয় যে অধিসূচনা জাৰি কৰিবলৈ ৯ বাৰ সময়সীমা বৃদ্ধি কৰাৰ পিছত এতিয়া মোদী চৰকাৰে ইচ্ছাকৃতভাৱে নিৰ্বাচনৰ পূৰ্বে এই পদক্ষেপ গ্ৰহণ কৰিছে। মূলতঃ অসম আৰু বংগৰ ভোটাৰক মেৰুকৰণৰ বাবে এই কাম কৰা হৈছে বুলিও দাবী কৰে জয়ৰাম ৰমেশে। আনহাতে, নিৰ্বাচনী বণ্ড কেলেংকাৰীক লৈ উচ্চতম ন্যায়ালয়ৰ ৰায় আৰু চৰকাৰৰ তিৰস্কাৰৰ বিপৰীতে হেডলাইন মেনেজ কৰিবলৈ চৰকাৰে 'কা' কাৰ্যকৰী কৰিছে বুলিও সন্দেহ ব্যক্ত কৰে কংগ্ৰেছৰ জ্যেষ্ঠ নেতাগৰাকীয়ে। 'কা'ৰ অধিসূচনা জাৰি কৰাৰ পিছতে মোদী চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰা দেখা যায় পশ্চিম বংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীকো। তেওঁ কয়, এয়াই বিজেপিৰ কাম। নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে সংবাদ মাধ্যমৰ জৰিয়তে এনে খবৰ প্ৰচাৰ কৰি মানুহক বিভ্ৰান্ত কৰে। সংবাদ মাধ্যমত বাতৰি চলি আছে যে আজি ৰাতিৰ ভিতৰত 'কা' কাৰ্যকৰী হ'ব। এই আইনখন ২০২০ চনত গৃহীত হৈছিল, চাৰি বছৰত কেইবাটাও সংশোধনীৰ পিছত নিৰ্বাচনৰ তাৰিখ ঘোষণাৰ দুই-তিনিদিন পূৰ্বে ইয়াক কাৰ্যকৰী কৰাৰ আঁৰত ৰাজনৈতিক উদ্দেশ্য নিহিত হৈ আছে। মমতা বেনাৰ্জীয়ে লগতে কয় যে যদি 'কা', এনআৰচি সঁচাকৈয়ে কাৰ্যকৰী কৰা হয় তেন্তে আমি বহি নাথাকো। আমি তীব্ৰ প্ৰতিবাদ কৰিম। আমি কোনো মূল্যৰ বিনিময়ত এন আৰ চি মানি নলওঁ। আমি 'কা'ৰ বাবে কোনো মানুহক শৰণাৰ্থী শিবিৰলৈ প্ৰেৰণ কৰিবলৈ নিদিও। পশ্চিম বংগৰ মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে বংগৰ সমান্তৰালকৈ উত্তৰ-পূৰ্বাঞ্চলও অতি সংবেদনশীল। নিৰ্বাচনৰ পূৰ্বে এই অশান্তি আমি নিবিচাৰো। বিজেপিৰ বাবে এই অশান্তি আমি নিবিচাৰো। ‘কা’ বলৱৎ কৰাৰ পাছতে দিল্লীৰ মুখ্যমন্ত্ৰী তথা আপৰ মুখ্য সমন্বয়ক অৰবিন্দ কেজৰিৱালে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে৷ দেশৰ নিবনুৱাক সংস্থাপন দিব নোৱাৰে নৰেন্দ্ৰ মোদী চৰকাৰক কেইবাটাও প্ৰশ্ন কৰিছে কেজৰিৱালে৷ উত্তৰ পূবৰ ৰাজ্যসমূহক বিশ্বাসঘাতকতা কৰাৰো অভিযোগ উত্থাপন কৰিছে৷ সামাজিক মাধ্যমযোগে কেজৰিৱালে কয় যে আমাৰ যুৱক-যুৱতীসকলৰেই চাকৰি নাই, চুবুৰীয়া দেশৰ পৰা অহা লোকসকলক কোনে চাকৰি দিব? ঘৰ নিৰ্মাণ কৰি দিব কোনে? সেইসকলক বিজেপিয়ে চাকৰি দিব নেকি? বিজেপিয়ে ঘৰ নিৰ্মাণ কৰি দিব নেকি? যোৱা দহ বছৰত ১১ লাখতকৈও অধিক ব্যৱসায়ী আৰু উদ্যোগপতিয়ে দেশ ত্যাগ কৰিছে। তেওঁলোকক ঘূৰাই অনাৰ পৰিৱৰ্তে, চুবুৰীয়া দেশৰ দৰিদ্ৰ লোকসকলক ভাৰতত বসতি স্থাপন কৰাব বিচাৰে। কিয়? ভোট বেংকৰ বাবে? দেশে চিএএৰ বিৰোধিতা কৰে। প্ৰথমে নিজ দেশৰ ল'ৰা-ছোৱালীক চাকৰি দিয়ক, ঘৰ দিয়ক, তাৰ পিছত আন বিদেশৰ লোকক দেশলৈ আনক বুলি কয় দিল্লীৰ মুখ্যমন্ত্ৰী কেজৰিৱালে।

# বিজেপিৰ বঙালী বিধায়কে ক'লে অসমত 'কা'ৰ দৰকাৰ নাই

**ই-সংবাদ, ১১ মাৰ্চঃ** অসমৰ কাৰণে 'কা' দৰকাৰেই নাই। অসমত হিন্দু বঙালীৰ সমস্যা নাই৷ এই দাবী কৰিছে বিজেপিৰ হোজাই সমষ্টিৰ বিধায়ক ৰামকৃষ্ণ ঘোষ৷ 'কা' বলৱৎ হোৱাৰ পাছতে প্ৰতিক্ৰিয়া ব্যক্ত কৰি কংগ্ৰেছৰ বিৰুদ্ধে ৰাজনীতি কৰাৰ অভিযোগ উত্থাপন কৰে বিধায়ক ৰামকৃষ্ণ ঘোষে৷ ৰামকৃষ্ণ ঘোষে কয় যে 'কা' আমাৰ কাৰণে একোৱেই নহয়। ইয়াৰ পৰা আমি একো পোৱা নাই, আৰু নালাগেও৷ এইটো ৰেষ্ট অপ ইণ্ডিয়াৰ কাৰণে দৰকাৰ। কাৰণ পাকিস্তান, আগৱানিস্তান কাৰণে দৰকাৰ আছে। অসমৰ কাৰণে কা দৰকাৰেই নাই। কাৰণ, অসমত কাৰো সমস্যা নাই। কিন্তু ২০১৪ পিছত অহাসকলে অসমৰ নাগৰিকত্ব নাপাই৷ তাত লিখা আছে। ২০০৬ লৈকে যি কেইটা আহিছে তেওঁলোকে এনেও পাব৷ কংগ্ৰেছে ৰাইজক ৰাস্তাত ওলাই আহিবলৈ কয়। কংগ্ৰেছে অৰাজকতা সৃষ্টি কৰিবলৈ কয়। অখিল গগৈয়ে অসমলৈ ডেৰকোটি মানুহ আহিব বুলি কয়, কিয় এইবোৰ মিছা কয়, মই নাজানো। কা'ক লৈ বিৰোধী ৰাজনৈতিক দলে বিজেপি চৰকাৰক ভাঙিব বিচাৰিছে। মিছা মিছি অযুক্তিত অসমখন অশান্তি কৰিব নালাগে৷ সেইটোৱে মোৰ আপিল থাকিল বুলিও কয় ৰামকৃষ্ণ ঘোষে৷ ইফালে, 'কা' বলৱৎ হোৱাৰ পাছতে কংগ্ৰেছৰ নেতা তথা বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰে৷ দেৱব্ৰত শইকীয়াই তীব্ৰ ক্ষোভ ব্যক্ত কৰি কয় যে বিজেপিয়ে জাতি, মাটি, ভেটি ৰক্ষা কৰিম বুলি কৈছিল৷ অসম চুক্তিৰ আখৰে আখৰে পালন কৰিম বুলি কৈছিল৷ বিজেপিয়ে নিজৰ ঘোষণাকে নিজে নস্যাৎ কৰিছে৷ কেইটামান ভোটৰ স্বাৰ্থত অসমবাসীক প্ৰতাৰণা কৰিছে৷ অসমৰ মাটিত ২০১৪ চনলৈ ভাৰতত প্ৰৱেশ কৰা লোকক বসবাস কৰাৰ ভূমিৰ অধিকাৰ লাভ কৰাৰ সুযোগ দিলে৷ এয়া দুৰ্ভাগ্যজনক৷ দেৱব্ৰত শইকীয়াই আৰু কয় '২০১৬ চনৰ পৰাই নিৰ্বাচনৰ সময়ত অসমক ভাল পাও, অসমৰ ৰাইজৰ লগত আছো, জাতি, মাটি, ভেটি ৰক্ষা কৰিম বুলি কৈ আজি এই আইন বলৱৎ কৰি আমাৰ জনসাধাৰণক প্ৰতাৰণা কৰিলে৷ অসম চুক্তি অনুসৰি নাগৰিকত্ব পোৱাৰ দিন আছিল ১৯৭১ চনৰ ২৫ মাৰ্চ৷ কিন্তু বিজেপি চৰকাৰে সেই দিন ২০১৪ চনৰ ৩১ ডিচেম্বৰ কৰি সকলোকে নাগৰিকত্ব পোৱাৰ পথ মুকলি কৰি দিলে৷

## পুনৰ ৫ লাখ টকা আবণ্টনৰ আশ্বাস তিৱা স্বায়ত্ব শাসিত পৰিষদৰ

# মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সম্প্ৰসাৰিত কাৰ্যালয় গৃহৰ আধাৰশিলা স্থাপন

**ই-সংবাদ, মৰিগাঁও, ১১ মাৰ্চঃ** মৰিগাঁও জিলাৰ সাংবাদিকসকলৰ অন্যতম ঐতিহ্যমণ্ডিত অনুষ্ঠান মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সম্প্ৰসাৰিত কাৰ্যালয় গৃহৰ দ্বিতীয় মহলাৰ আজি পুৱা আধাৰশিলা স্থাপন কৰা হয়। তিৱা স্বায়ত্ব শাসিত পৰিষদৰ ২০২৩-২৪ বৰ্ষৰ 'সম্প্ৰসাৰিত কাৰ্যালয় গৃহ মৰিগাঁও সাংবাদিক সংস্থা'ৰ আঁচনিৰ অধীনত আৰু পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰৰ এ অ' এম বিভাগৰ ১০ লাখ টকাৰ আবণ্টিত পুঁজিৰে সম্পূৰ্ণ কৰিব লগা কাৰ্যলয় গৃহটো আধাৰ শিলা স্থাপন কৰে তিৱা স্বায়ত্ব শাসিত পৰিষদৰ সদস্য অজিত ডেকাই। মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সম্পাদক জিতুমনি নাথে আঁত ধৰা আৰু মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মা, উপ-সভাপতি কল্পতৰু চৌধুৰী, উপদেষ্টা মহেন্দ্ৰ নাথ হাজৰিকা, জ্যেষ্ঠ সদস্য বুবুমনি গোস্বামী, প্ৰাক্তন সভাপতি জগদীশ চন্দ্ৰ নাথ, প্ৰাক্তন সম্পাদক তথা জ্যেষ্ঠ সদস্য অজিত শৰ্মা, প্ৰণৱ কুমাৰ ভট্টাচাৰ্য, গুলজাৰিলাল শৰ্মা, জ্যেষ্ঠ সদস্য ৰিতুমনি মহন্ত, সহকাৰী সম্পাদক মানস নাথকে আদি কৰি ভালে সংখ্যক সদস্য উপস্থিত থকা আধাৰ শিলা স্থাপন কাৰ্যসূচী সম্পন্ন কৰি তিৱা স্বায়ত্ব পৰিষদৰ চৰকাৰী মনোনীত সদস্য তথা যুৱ নেতা অজিত ডেকাই কয় বৰ্তমানে তিৱা স্বায়ত্ব পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰৰ নেতৃত্বতাধীন স্বায়ত্ত্বশাসিত পৰিষদ খনে পৰিষদৰ এলেকাত বসবাস কৰা সকলো জাতি জনগোষ্ঠীৰ সম উন্নয়নৰ বাবে কাম কৰি আছে। সকলো জাতি জনগোষ্ঠীক এক সমন্বয়ৰ দোলেৰে বান্ধি ৰাখিবলৈ সক্ষম হোৱা বৰ্তমানৰ পৰিষদ খনে জনজাতীয় ৰাইজৰ আশা আকাংক্ষা পূৰণৰ বাবে চেষ্টা অব্যাহত ৰাখিছে। তেওঁ জীৱন চন্দ্ৰ কোঁৱৰৰ নেতৃত্বাধীন পৰিষদখনে জনজাতীয় ৰাইজৰ আশা আকাংক্ষা পূৰণ কৰিব পাৰিব বুলি আশা প্ৰকাশ কৰাৰ লগতে পৰিষদখনৰ উন্নয়নমূলক কাম কাজত সকলো শ্ৰেণীৰ ৰাইজে সহায়-সহযোগিতা আগবঢ়োৱা বুলি উল্লেখ কৰে। ইফালে তিৱা স্বায়ত্ব পৰিষদৰ আবণ্টিত পুঁজিৰে সম্প্ৰসাৰিত কাৰ্যালয় গৃহটো সম্পূৰ্ণ হৈ উঠাত পুঁজিৰ অভাৱ আৰু সাংবাদিক সংস্থাৰ অনুৰোধক সন্মান জনাই ডেকাই তেওঁৰ পৰিষদৰ পুঁজিৰ পৰা ৫ লাখ টকা আবণ্টন দিয়া হ'ব বুলি ঘোষণা কৰে। ইফালে তিৱা স্বায়ত্ব শাসিত পৰিষদে মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ উন্নয়নৰ বাবে আগবঢ়োৱা সহায়-সহযোগিতাক সংস্থাই ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

## ১১ ঘণ্টাত একেৰাহে ১০১ কিলোমিটাৰ দৌৰি অভিলেখ

# অসম বুক অব ৰেকৰ্ডছত নাম অন্তৰ্ভুক্ত ৰঙামাটিৰ ৰাজ, মুনীন্দ্ৰৰ



**ই-সংবাদ, খুমটাই, ১১ মাৰ্চঃ** গোলাঘাট জিলাৰ ৰঙামাটি মৌজাৰ দুই যুৱক ৰাজ ৰবিদাস আৰু মুনীন্দ্ৰ দাসে অলপতে ১১ ঘণ্টা একেৰাহে ১০১ কিলোমিটাৰ দৌৰি অসম বুক অব ৰেকৰ্ডছত নিজৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হৈছে। যুৱক দুজনে জন্মস্থান ৰঙামাটিৰ পৰা মাৰাথন দৌৰ আৰম্ভ কৰি কাজিৰঙালৈ আৰু পুনৰ কাজিৰঙাৰ পৰা নুমলীগড়লৈ একেৰাহে দৌৰি সৰ্বমুঠ ১০১ কি:মি: দূৰত্ব অতিক্ৰম কৰে। এই মাৰাথন দৌৰৰ সময়ত অসম বুক অব ৰেকৰ্ডছ কৰ্তৃপক্ষৰ হৈ মনজিৎ শৰ্মা আৰু অসীম শৰ্মা উপস্থিত থাকি দৌৰ কাৰ্যসূচী পৰ্যবেক্ষণ কৰে আৰু শেষত মানপত্ৰ, গামোচা, স্মাৰক আদিৰে দুয়োৰে সফলতাত সম্বৰ্ধনা জনায়।ৰাজ ৰবিদাস বৰ্তমান দেৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰ আৰু মুনীন্দ্ৰ দাস দেৰগাঁৱৰ ডিকেডি কলেজৰ চতুৰ্থ ষাণ্মাসিকত অধ্যয়নৰত । দুয়োজনৰে এই মাৰাথন যাত্ৰাত গোলাঘাট জিলাৰ আয়ুক্ত, জিলা প্ৰশাসনৰ বিষয়ববীয়া আৰু মাৰাথন পৰিচালনা সমিতিৰ সভাপতি পদুম দাস আৰু সাধাৰণ সম্পাদক ৰেব হাজৰিকাৰ লগতে স্থানীয় সমাজ সচেতন ব্যক্তিসকলে সহায়-সহযোগিতা আগবঢ়ায়।

# অংগনৱাড়ী কৰ্মী-সহায়িকাৰ প্ৰতিবাদ অব্যাহত, চিপিআইএমৰ ক্ষোভ

**ই-সংবাদ, ১১ মাৰ্চঃ** অসম চৰকাৰৰ মহিলা আৰু শিশু কল্যাণ বিভাগে আগবঢ়োৱা মাননি বৃদ্ধিৰ প্ৰস্তাৱ কাৰ্যকৰী কৰাৰ দাবীত ৰাজ্যৰ অংগনৱাড়ী কৰ্মী-সহায়িকাসকলে ২৬ ফেব্ৰুৱাৰীৰ পৰা গুৱাহাটীৰ চচলত আন্দোলন অব্যাহত ৰাখিছে। আন্দোলনৰ সমৰ্থনত ৰাজ্যৰ সকলো জিলাত প্ৰতিদিনে হাজাৰ হাজাৰ অংগনৱাড়ী কৰ্মী-সহায়িকাই বিক্ষোভ প্ৰদৰ্শন কৰি আহিছে। অসম চৰকাৰে চৰম শ্ৰমিক-কৰ্মচাৰীবিৰোধী মনোভাৱ প্ৰদৰ্শন কৰি অংগনৱাড়ী কৰ্মী-সহায়িকাৰ ন্যায্য দাবীসমূহ পূৰণ কৰিবলৈ অস্বীকাৰ কৰি আছে। এক বিবৃতিযোগে অসম ৰাজ্যিক চিপিআইএম দলে অংগনৱাড়ী কৰ্মী-সহায়িকাক গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ উত্থাপন কৰিছে৷ চিপিআইএম দলে কয় যে এইসকল মহিলা কৰ্মচাৰীয়ে চৰকাৰী সেৱা আগবঢ়ায়, কিন্তু তাৰ বিনিময়ত মজুৰি অথবা দৰমহা নাপায়। সামান্য মাননিহে প্ৰদান কৰে। তেনে মাননিৰ ধন ২০১৭ চনৰ পৰা সংশোধন কৰা হোৱা নাই। অথচ কামৰ বোজা ক্ৰমান্বয়ে বঢ়াই আছে। আইচিডিএছসহ চৰকাৰৰ বিভিন্ন আঁচনি ৰূপায়ণৰ বাবে অংগনৱাড়ী কৰ্মী-সহায়িকাসকলৰ ভূমিকা অপৰিহাৰ্য। চৰম পৰিতাপৰ কথা যে অমানুষিক পৰিশ্ৰমৰ বিনিময়ত বিজেপি চৰকাৰে তেওঁলোকক ন্যূনতম প্ৰয়োজনীয় মাননিখিনি দিবলৈ আঁকোৰগোজভাৱে অস্বীকাৰ কৰি আছে। নাৰী আৰু শ্ৰমজীৱীক ন্যায় দিয়া বুলি দাবী কৰি অহা বিজেপি চৰকাৰৰ এনে আচৰণ অত্যন্ত নিন্দনীয়। চিপিআইএমৰ অসম ৰাজ্যিক সমিতিয়ে অংগনৱাড়ী কৰ্মী-সহায়িকাসকলৰ ন্যায্য দাবী আৰু বীৰত্বপূৰ্ণ আন্দোলনৰ প্ৰতি পূৰ্ণ সমৰ্থন জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক শীঘ্ৰে হস্তক্ষেপ কৰি অংগনৱাড়ী কৰ্মী-সহায়িকাসকলক ন্যায় প্ৰদান কৰিবলৈ দলে দাবী জনাইছে।

# ওদালগুৰিত ছাইনব'র্ডৰ খুঁটা স্থাপন অজ্ঞাত প্ৰতিষ্ঠানৰ

## আৰক্ষীক এজাহাৰ দাখিল ওদালগুৰি পৌৰসভাৰ

**ই-সংবাদ, ওদালগুৰি, ১১ মাৰ্চঃ** ওদালগুৰি চহৰত সংঘটিত হৈছে এক আজৱ ঘটনা। কোনো অজ্ঞাত প্ৰতিষ্ঠানে নিশাৰ ভাগত অনুমতিবিহীনভাৱে চহৰখনৰ কেইবাটাও স্থানত স্থাপন কৰিলে ছাইনবোৰ্ডৰ খুটা। ইয়াৰ পাছতে বিষয়টো ওদালগুৰি পৌৰসভাৰ দৃষ্টিগোচৰ হয়। উল্লেখ্য যে, প্ৰায় দুই বছৰ পূৰ্বে এক বিশেষ বিজ্ঞাপন প্ৰতিষ্ঠানৰ সৈতে ওদালগুৰি পৌৰসভাৰ এক চুক্তি স্বাক্ষৰ হৈছিল। যি চুক্তি অনুসৰি চহৰখনত স্থাপন কৰা কেইৱাটাও ছাইনবোৰ্ডৰ খুটাত ইতিমধ্যে বিজ্ঞাপনৰ কাম চলি আহিছে। কিন্তু হঠাৎ নিশাৰ ভাগতে চহৰখনৰ তিনিটাকৈ স্থানত নতুনকৈ অনুমতিবিহীনভাৱে কোনো প্ৰতিষ্ঠানে এনে চাইনবোৰৰ খুটা স্থাপনৰ পাছত এতিয়া পৌৰসভাই বিষয়টো গুৰুত্ব সহকাৰে লৈছে। প্ৰতিষ্ঠানটোৰ তথ্য বিচাৰি সংশ্লিষ্ট খুটাসমূহত জাননীও আঁৰি দিয়া হৈছিল। ইয়াৰ পাছতো কোনো প্ৰতিষ্ঠান আগবাঢ়ি নহাত পৌৰসভাই ঘটনা সন্দৰ্ভত ওদালগুৰি আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। সমান্তৰালভাৱে ওদালগুৰিৰ মিচন চ'ক, দুৰ্গা মণ্ডপৰ সন্মুখ আৰু গোলমাগাঁৱত স্থাপন কৰা খুঁটাসমূহ আঁতৰাই পেলোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ইতিমধ্যে তিনিটা খুঁটাৰ ভিতৰত এটা খুঁটা পৌৰসভাই আঁতৰাই পেলাইছে।

# হাম হাস্পতালত ৰোগী-অভিভাৱকক আক্ৰমণৰ ঘটনাক দল-সংগঠনৰ গৰিহণা

**ই-সংবাদ, মোৰাঝাৰ, ১১ মাৰ্চঃ** চিকিৎসকৰ সৈতে অসমীয়া ভাষাত কথা কোৱাক লৈ দেওবাৰে হোজাই চহৰত অৱস্থিত আজমল চি এছ আৰৰ দ্বাৰা পৰিচালিত হাজী আব্দুল মজিদ মেম'ৰিয়েল হস্পিতালত বিহাৰী সম্প্ৰদায়ৰ এগৰাকী কৰ্মৰত চিকিৎসকৰ হাতত এগৰাকী অধিবক্তাসহ এপেণ্ডিছত আক্ৰান্ত তেওঁৰ পোন্ধৰ বছৰীয়া পুত্ৰ নিৰ্যাতনৰ সন্মুখীন হোৱা ঘটনাৰ প্ৰতিক্ৰিয়া হোজাইত এতিয়াও অব্যাহত আছে৷ ঘটনা সন্দৰ্ভত ৰহিম উদ্দিন নামৰ অধিবক্তাগৰাকীয়ে দাখিল কৰা এজাহাৰৰ ভিত্তিত হোজাই আৰক্ষীয়ে ৭৬/২৪ নম্বৰত ভাৰতীয় দণ্ডবিধি আইনৰ ২৯৪/৩৪২/৩২ আৰু ৫/৩৪ ধাৰাৰ লগতে আৰ/ডব্লিউ ধাৰাৰ ৭৫ জাষ্টিচ জুভেইনাইল আইনত এটা গোচৰ পঞ্জীয়ন কৰিছে৷ ইপিনে হাম চিকিৎসালয় কৰ্তৃপক্ষয়ো এটা গোচৰ তৰিছে৷ সেই মতে হোজাই আৰক্ষীয়ে ৭৫/২৪ নম্বৰত ভাৰতীয় দণ্ডবিধিৰ ২৯৪/৩৫৩/৩২৩/৩৫৪বি/৪২৭/৩৪ আৰু আৰ/ডব্লিউ ধাৰাৰ ৪ আচাম মেডিকেয়াৰ চাৰ্ভিচ পাৰ্ছন এণ্ড মেডিকেয়াৰ চাৰ্ভিচ ইনষ্টিটিউট আইন ২০১১ মতে এটা গোচৰ পঞ্জীয়ন কৰিছে৷ আৰক্ষীৰ তদন্ত চলি থকাৰ সময়ত হাম চিকিৎসালয়ৰ ঘটনাৰ তদন্তৰ দাবীত সৰৱ হৈ পৰিছে আছু, এজেৱাইচিপি, আমছু, অসম জাতীয় পৰিষদকে ধৰি বিভিন্ন দল-সংগঠন৷ হাম চিকিৎসালয়ত সংঘটিত ঘটনাৰ বাবে উদ্বেগ প্ৰকাশ কৰিছে অসম জাতীয় পৰিষদৰ হোজাই জিলা সমিতিয়ে৷ জিলা সমিতিৰ সভাপতি লুটফুৰ ৰহমান আৰু সাধাৰণ সম্পাদক মিনহাজ আহমেদৰ নেতৃত্বত এটি সজাতি দলে চিকিৎসকৰ দ্বাৰা আক্ৰান্ত অধিবক্তা আৰু তেওঁৰ পুত্ৰৰ খবৰ লয়৷ অসম জাতীয় পৰিষদৰ বিষয়ববীয়াসকলে সংবাদ মাধ্যমক অৱগত কৰে যে অসমত মাতৃভাষা অসমীয়া কোৱাক লৈ সৃষ্টি হোৱা এই পৰিস্থিতি কোনো কাৰণতে মানি লোৱা নহ'ব। এই আক্ৰমণ ভাষাটোৰ ওপৰত কৰা আক্ৰমণ বুলি অভিহিত কৰে অসম জাতীয় পৰিষদে৷ ঘটনাটোৰ তাৎক্ষণিক তদন্ত কৰি দোষীক কঠোৰতকৈ কঠোৰতম শাস্তি প্ৰদান কৰিবৰ বাবে দাবী জনাই হোজাই জিলা আয়ুক্তক স্মাৰক পত্ৰ প্ৰদান কৰে অসম জাতীয় পৰিষদে৷ হোজাই জিলা ছাত্ৰ সন্থায়ো গভীৰ উদ্বেগ প্ৰকাশ কৰে৷ হাম চিকিৎসালয়ত ৰোগী আৰু ৰোগীৰ আত্মীয়ৰ ওপৰত যি নিৰ্মম আক্ৰমণৰ ঘটনা সংঘটিত হ'ল তাৰ বাবে জিলা ছাত্ৰ সন্থাই উদ্বিগ্নতা প্ৰকাশ কৰি সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক দেৱজিৎ ডেকা, কাৰ্যনিৰ্বাহক সদস্য অনিমেষ ভাগৱতী, জিলা আছুৰ সভাপতি কুঞ্জ বণিয়া আৰু সাধাৰণ সম্পাদক জাবেদ আহমেদে জিলা আয়ুক্তক এখন স্মাৰক পত্ৰ প্ৰদান কৰে৷ ইপিনে জনপ্ৰিয় লেখিকা শিখা শৰ্মাইয়ো ভুক্তভোগী পৰিয়ালৰ খবৰ লৈ এই গঠনাক গৰিহনা দি উচিত তদন্ত কৰি ন্যায় প্ৰদানৰ দাবী তোলে।

## শেষ পৃষ্ঠা


# বাংলাদেশৰ বিৰুদ্ধে মহম্মদ ছামি উভতিব

**ধৰমশালা, ১২ মাৰ্চঃ** অহা ছেপ্টেম্বৰ মাহত বাংলাদেশৰ বিৰুদ্ধে ঘৰুৱা শৃংখলাত ভাগ ল'ব ভাৰতীয় ক্ৰিকেট দলে। সেই শৃংখলাত দললৈ উভতিব পেচ বলাৰ মহম্মদ চামি। এই কথা প্ৰকাশ কৰিছে বি চি চি আইৰ সচিব জয় শ্বাহে। উল্লেখ্য যে বিগত এদিনীয়া বিশ্বকাপৰ পিছৰে পৰা আঘাতৰ বাবে দলৰ পৰা বাহিৰত আছে চামি। ইতিমধ্যে চামিৰ এক অস্ত্ৰোপ্ৰচাৰ সম্পন্ন কৰা হৈছে।

# পেৰিছলৈ মীৰাবাঈ চানু



**নতুন দিল্লী, ১২ মাৰ্চঃ** অলিম্পিকৰ পূৰ্বে পেৰিছত প্ৰশিক্ষণ চলোৱাৰ বাবে ভাৰোত্তোলক মীৰাবাঈ চানুৱে কৰা আবেদনক আজি ভাৰত চৰকাৰে গ্ৰহণ কৰিছে। উল্লেখ্য যে টকিঅ' অলিম্পিকত ৰূপৰ পদক বিজয়ী ২৯ বছৰীয়া চানুৱে। এইবাৰ তেওঁ ৪৯ কিলো শাখাত প্ৰতিদ্বন্দিতা কৰিব। চানুৰ লগত দুজন প্ৰশিক্ষক আৰু এজন ফিজিঅ' পেৰিছলৈ যাব।










newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮ | বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান